REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-11-2026 **Time :** 1100 Hrs.

চলিত বছৰৰ জুলাইত শিৱসাগৰ আৰু চৰাইদেউ জিলাত হোৱা বিধবংসী বানৰ কাৰণ নিৰ্ণয়ৰ বাবে চি বি আইৰ দ্বাৰা তদন্ত কৰাৰ প্ৰস্তাৱত ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন জনাইছে। কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে অহা ১০ দিন মানৰ ভিতৰত ৰাজ্য চৰকাৰে এই তদন্তৰ বাবে অনুৰোধ জনাই পত্ৰ প্ৰেৰণ কৰিব।

মন্ত্ৰীসভাই উদ্ভাৱনীমূলক যাতায়াত ব্যৱস্থা হিচাপে ৰজ্জুপথ নিৰ্মাণৰ বাবে প্ৰতিষ্ঠানগত কাঠামো গঢ়ি তোলাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় ঘাইপথ পৰিবহণ ব্যৱস্থাপনা লিমিটেড আৰু ৰাজ্য চৰকাৰৰ মাজত ৰজ্জুপথ উন্নয়ন চুক্তি স্বাক্ষৰৰ প্ৰস্তাৱত অনুমোদন জনাইছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কামাখ্যা ৰে'ল ষ্টেচনৰ পৰা কামাখ্যা মন্দিৰলৈ, খানাপাৰাৰ পৰা গুৱাহাটী ৰে'ল ষ্টেচনলৈ, কাছাৰৰ গংগা নগৰৰ পৰা ভূৱন পাহাৰৰ শিৱ মন্দিৰলৈ, ডিমা হাচাওৰ হেমপেউপেট শৃংগৰ পৰা জাতিংগালৈ আৰু শোণিতপুৰৰ অগ্নিগড়ৰ পৰা ভৈৰৱী মন্দিৰলৈ ৫টা ৰজ্জুপথ নিৰ্মাণ কৰা হ'ব।

নতুন কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি সন্দৰ্ভত মত প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে পদোন্নতিৰ বাবে খালী হৈ থকা পদসমূহৰ দ্ৰুত নিষ্পত্তি আৰু বৃহৎ পৰিসৰত প্ৰাৰম্ভিক পৰ্যায়ৰ নিযুক্তি নিশ্চিত কৰাৰ লক্ষ্যৰে মন্ত্ৰীসভাই এবাৰৰ বাবে বিশেষ প্ৰশাসনিক ব্যৱস্থা প্ৰৱৰ্তনৰ প্ৰস্তাৱত অনুমোদন জনাইছে। তেওঁ কয় যে এই ব্যৱস্থাৰ অধীনত পদোন্নতিৰ ক্ষেত্ৰত বাৰ্ষিক গোপনীয় প্ৰতিবেদন- এ চি আৰ, নিৰ্ধাৰিত চাকৰিকাল, বয়স, অভিজ্ঞতা, বাৰ্ষিক সম্পত্তিৰ বিৱৰণীসহ পূৰ্ব নিৰ্ধাৰিত চৰ্তসমূহ শিথিল কৰা হ'ব। ইয়াৰ ফলত পদোন্নতিৰ প্ৰক্ৰিয়া ত্বৰান্বিত হ'ব আৰু প্ৰাৰম্ভিক পৰ্যায়ৰ চৰকাৰী নিযুক্তিৰ নতুন সুযোগ মুকলি হ'ব।

বাইট (চি এম)

oooooooo

খাদ্য সু�ৰক্ষা বিভাগে বিগত ১০ মাহত ৬০টা পনীৰৰ নমুনা সংগ্ৰহ কৰি বিশ্লেষণ কৰিছে আৰু ইয়াৰে ৭০ শতাংশ অৰ্থাৎ ৪১টা নমুনা খাদ্যৰ বাবে অনুপযোগী বুলি চিনাক্ত হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহালে খাদ্যৰ মান বৰ্তাই ৰখাৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰি কালি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। অনুপযোগী বুলি বিবেচিত পাঁচটা নমুনা স্বাস্থ্যৰ বাবে অত্যন্ত ক্ষতিকাৰক বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বিভাগে খাদ্য সুৰক্ষা আইন ২০০৬ৰ ৩২ নম্বৰ (ক) দফাৰ অধীনত এখন জাননী জাৰি কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই জাননীত পনীৰৰ নামত পনীৰৰ দৰে অন্য সামগ্ৰী বিক্ৰী কৰিব নোৱাৰিব বুলি স্পষ্টভাৱে উল্লেখ কৰা হৈছে। তেওঁ কয়, যে এনে সামগ্ৰী বিক্ৰী কৰাসকলক জৰিমনা বিহা হ'ব।

ooooo

মিছিং স্বায়ত্তশাসিত পৰিষদৰ ৪০ টা সমষ্টিত আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ ৩২ টা সমষ্টিত নিৰ্বাচন অহা ৩০ নৱেম্বৰত অনুষ্ঠিত হ'ব। ৰাজ্যিক নিৰ্বাচন আয়োগে কালি এই নিৰ্বাচনৰ দিন ঘোষণা কৰে। ১০ নৱেম্বৰ মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। ১২ নৱেম্বৰত মনোনয়ন পত্ৰ সমূহ পৰীক্ষা কৰাৰ লগতে বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ১৬ নৱেম্বৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন আৰু সেইদিনাই প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ৩০ নৱেম্বৰৰ পুৱা চাৰে ৭ বজাৰ পৰা বিয়লি চাৰি বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। প্ৰয়োজন সাপেক্ষে ১ ডিচেম্বৰত পুনৰ ভোট গ্ৰহণ কৰা হ'ব। ৩ ডিচেম্বৰৰ পুৱা ৮ বজাৰ পৰা ভোটগণনা অনুষ্ঠিত হ'ব। নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ অন্তিম দিন ৫ ডিচেম্বৰ ধাৰ্য্য কৰা হৈছে।

মিছিং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত ৬ লাখ ৩৫ হাজাৰ ৪৯৩ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ৩ লাখ ১৭ হাজাৰ ২৯৭ গৰাকী পুৰুষ আৰু ৩ লাখ ১৮ হাজাৰ ১৯৪ গৰাকী মহিলা ভোটদাতা। নিৰ্বাচনৰ বাবে এহেজাৰ ৩২ টা ভোট গ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। আয়োগে প্ৰতিগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ সৰ্বোচ্চ সীমা ২ লাখ টকালৈকে ধাৰ্য্য কৰিছে। ইপিনে সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ বাবে এক লাখ ৬৩ হাজাৰ ৯৬৬ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ৭৯ হাজাৰ ২৯৫ জন পুৰুষ আৰু ৮৪ হাজাৰ ৬৬৭ গৰাকী মহিলা ভোটাদাতা।

oooooooo

সমাপ্ত